একে উদ্দীপকে ব্যক্তিগৰাকীক একেই আচৰণ/ক্রিয়াৰ পুনৰাবৃত্তি কৰাত সহায় কৰিব ।

হলৰ পুনৰ বলবৎকৰণ সূত্র ঃ এই সূত্রৰ মতে শিকণৰ মূল হ'ল উদ্দীপক আৰু সঁহাৰিৰ মাজত যি ঘটে তাৰ ফলশ্রুতি । অন্য অর্থত, প্রয়োজনৰ হ্রাসভৱনে হ্রাসভৱনৰ সময়ত উপস্থিত থকা উদ্দীপক-সঁহাৰি সম্পর্ক (SR Connections) পুনৰ বলবৎ কৰে ।

টোলমেনৰ উদ্দেশ্যবাদ সূত্র ঃ এই সূত্রটোৱে শিকণৰ উদ্দেশ্য অথবা লক্ষ্যৰ গুৰুত্ব ওপৰত জোৰ দিয়ে । টোলমেনৰ সূত্রটোক সংকেতসূচক অথবা ইংগিতমূলক শিকন বুলিও কোৱা হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ গোল্ডষ্টেইন, হপকিন্স আৰু ষ্ট্রাব ।

৫ নং প্রশ্নৰ উত্তৰ ঃ বেহু শিকণ পদ্ধতিয়ে শিক্ষকসকলক শ্রেণীকোঠাত প্রতিগৰাকী শিক্ষার্থীৰ মনোজগতত বিচৰণ কৰাত, ছাত্র-ছাত্রীৰ আচাৰ-আচৰণগত দিশবোৰ জনাত আৰু ছাত্র-ছাত্রীৰ উচ্চ বোধশক্তি তথা আবেগিক ক্ষেত্রবোৰ বুজি পোৱাত সহায় কৰে । এই পদ্ধতিয়ে শিক্ষার্থী-শিক্ষকক সহায়কৰাৰ উপৰি বিশেষ শিকণ সেৱা লাভ নকৰাৰ বাবে আচাৰ-আচৰণগত অভাৱৰ বলি হোৱাসকলেৰ ইন্দ্রিয়যোগে লাভ কৰা জ্ঞান সংহতকাৰী সঞ্চালন প্রক্রিয়াৰ ব্যৱহাৰতো সহায় কৰে ।



১.১০ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ প্রায় ৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ শিকণৰ সংজ্ঞা দিয়ক ।

প্রশ্ন ২ঃ শিকণৰ বৈশিষ্ট্যবোৰ কি কি ?

প্রশ্ন ৩ঃ ধ্রপদী ৰূপান্তৰৰ সূত্র আৰু কার্যকৰ ৰূপান্তৰ সূত্রৰ মাজত কি প্রভেদ আছে ?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ প্রায় ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ শিকণৰ বিভিন্ন সূত্র সম্পর্কে আলোচনা কৰক ।

প্রশ্ন ২ঃ শিকণ প্রক্রিয়া অধিক ফলপ্রসূ কৰিবলৈ থকা পদ্ধতিবোৰৰ বিষয়ে আলোচনা কৰক ।

(গ) দীঘল প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক) -

প্রশ্ন ১ঃ "আইনা অংকন আহিলাৰ সহায়ত শিকণ প্রক্রিয়াই প্রতিগৰাকী শিক্ষার্থীৰ শিকণৰ অভ্যাস উন্নত কৰে" - উক্তিটোৰ সৈতে আপুনি একমতনে ? বিষয়টো সন্দর্ভত

আপোনাৰ নিজস্ব মতামত দাঙি ধৰক ।

প্রশ্ন ২ঃ আংশিকৰ পৰা সামগ্রিকলৈ যোৱাটো হ'ল শিকণৰ মূল নীতি। আপোনাৰ মতে শিক্ষার্থীৰ বাবে কোনটো পদ্ধতি অধিক উপযোগী ? আপোনাৰ দৃষ্টিভংগী দাঙি ধৰক ।

প্রশ্ন ৩ঃ বেহু শিকণ পদ্ধতিয়ে কেনেদৰে এগৰাকী শিক্ষকক শ্রেণীকোঠাত শিক্ষাদান কৰাত সহায় কৰিব পাৰে ? কোনো আহিলা ব্যৱহাৰ নকৰাকৈ যিকোনো এটা সৰল পৰীক্ষাৰ সহায়ত শিক্ষার্থীৰ মানসিক সক্ষমতা গম পাবলৈ শিক্ষকে কেনেদৰে বেহু মাধ্যমত শিকণ পদ্ধতি প্রয়োগ কৰিব পাৰে বুজাই দিয়ক ।

*** ***** ***